প্ৰঃ অন্তৰ্মুখী আৰু বৰ্হিমুখী ব্যক্তিত্বৰ বিষয়ে লিখা।

মনোবিশ্লেষণকাৰী তত্বৰ স্ৰষ্টা চুইজাৰলেণ্ডৰ মনোবিজ্ঞানী কিম্বল ইয়ুঙে ব্যক্তিত্বক তলত দিয়া ধৰণে শ্ৰেণীবিভাজন কৰিছিল।

১. অন্তৰ্মুখী ব্যক্তিত্বঃ এই প্ৰকাৰৰ ব্যক্তিত্বৰ অধিকাৰী লোক সকলে যিকোনো পৰিৱেশ আৰু পৰিস্থিতিত সংঘাত সংঘাতৰ মুখামুখি হলে তেনে পৰিৱেশৰ পৰা নিজকে আতৰাই ৰাখে। এনে লোকসকল লাজকুৰীয়া, সংবেদনশীল, আত্মকেন্দ্ৰিক, চিন্তাশীল, কম নমনীয় আৰু সমাজৰ লোকৰ সংগ এৰা দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপে দাৰ্শনিক আৰু বিজ্ঞানী সকল অন্তৰ্মুখী হোৱা দেখিবলৈ পোৱা যায়।

২. বৰ্হিমুখী ব্যক্তিত্বঃ বৰ্হিমুখী ব্যক্তিত্ব অধিকাৰী ব্যক্তিসকল যিকোনো পৰিৱেশ আৰু পৰিস্থিতিৰ সৈতে নিজকে সমাযোজন কৰিব পাৰে। এনে ব্যক্তিসকল বৰ্হিজগতৰ প্ৰতি অনুৰক্ত হয়। এওঁলোক স্পষ্টবাদী, সামাজিক, বন্ধু অনুৰাগী, সহায়কাৰী, উদ্বেগৰ পৰা নিজকে আঁতৰত ৰাখে আৰু কথনৰ দ্বাৰা আনক প্ৰভাৱিত কৰিব পাৰে।

&&&&&&&&

প্ৰঃ ব্যক্তিত্বৰ বৈশিষ্ট্যবোৰ লিখা।

১. ব্যক্তিত্ব ব্যক্তিৰ অদ্বিতীয় গুণ বা সংলক্ষণ। ই ব্যক্তিভেদে বেলেগ বেলেগ হয়।

২. ই আচৰণৰ অন্তৰালত থকা জৈৱ মানসিক সংগঠনকে বুজায়।

৩. ই গতিশীল। ই কেতিয়াও স্থিৰ বা অপৰিৰ্বতনশীল নহয়।

৪. ব্যক্তিত্বই আত্মচেতনা আৰু আত্মনিয়ন্ত্ৰণ বুজায়।

৫. ই ব্যক্তিৰ মনো-দৈহিক সত্বাক সামৰি লয়।

৬. ই পৰিৱেশৰ সৈতে সংগতি ৰক্ষাত সহায় কৰে। সেইবাবে সামাজিক পৰিৱেশৰ যোগেদিহে ব্যক্তিৰ ব্যক্তিত্ব প্ৰকাশ পায়।

*******